**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-10-2024
**Time :** 1205 Hrs.

***Assamese Bulletin***

-----------------------------

শাৰদীয় দুৰ্গা পূজা উপলক্ষে ৰাজ্যত ব্যাপক উলহ-মালহৰ পৰিবেশে বিৰাজ কৰিছে। বতৰ কিছু ফৰকাল হোৱাত জনসাধাৰণৰ মাজত উৎসাহৰ সঞ্চাৰ হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত পূজাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। পূজা সমিতিসমূহে বিভিন্ন বিষয়বস্তুক আধাৰ হিচাপে লৈ পূজা মণ্ডপসমূহ আটকধুনীয়াকৈ সজাই-পৰাই তুলিছে। সমান্তৰালভাৱে বতৰ ফৰকাল হোৱাৰ লগে লগে মহানগৰীৰ বজাৰসমূহত বিশেষকৈ ফাঁচীবজাৰ, গণেশগুৰিত গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হৈছে। একেদৰে ৰাজ্যৰ অন্য প্ৰান্ততো শাৰদীয় দুৰ্গা পূজাৰ উৎসাহ-উদ্দীপনা তথা ব্যস্ততা দেখা গৈছে।

শিৱসাগৰ জিলাৰ বিভিন্ন অঞ্চলত কেইবাখনো দুৰ্গা পূজাৰ আয়োজন কৰা হৈছে। ইয়াৰে শিৱসাগৰ নগৰৰ বাৰোৱাৰী পূজা সমিতিয়ে আয়োজন কৰা পূজাভাগীৰ মণ্ডপটোৱে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। পুৰণি অসমীয়া চলচ্চিত্ৰক বিষয়বস্তু হিচাপে লৈ নিৰ্মাণ কৰা হৈছে এই পূজা মণ্ডপ। ইফালে চিৰাঙতো দুৰ্গা পূজাৰ ব্যাপক আয়োজন দেখা গৈছে। এইবেলি জিলাখনত ১২১ খন পূজা অনুষ্ঠিত হৈছে। নগাঁও জিলাতো উলহ-মালহেৰে দুৰ্গা পূজাৰ আয়োজন কৰা হৈছে।

ইপিনে, প্ৰশাসনে দুৰ্গা পূজা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে পূজা সমিতিসমূহলৈ যাৱতীয় নীতি-নিৰ্দেশনা জাৰি কৰিছে। চি চি টি ভি কেমেৰা সংস্থাপন, স্বেচ্ছাসেৱক নিয়োগ, পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাকে ধৰি পূজা সমিতিসমূহলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰা হৈছে। গুৱাহাটী মহানগৰীত ইতিমধ্যে ৪৫০ খনৰো অধিক সমিতিয়ে পূজা অনুষ্ঠিত কৰিবলৈ আৰক্ষী প্ৰশাসনৰ পৰা অনুমতি লৈছে।

0000000

জম্মু-কাশ্মীৰ আৰু হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ ভোটগণনা চলি আছে। হাৰিয়ানাত বিজেপি ৯০ খন আসনৰ ভিতৰত ৪৯ খনত আৰু কংগ্ৰেছ ৩৫ খনত আগবাঢ়ি আছে। জম্মু-কাশ্মীৰ বিধানসভাৰ ৯০ খন আসনৰ ভিতৰত জম্মু-কাশ্মীৰ নেচনেল কনফাৰেঞ্চে ৩৮ খন আসনত অগ্ৰগতি লাভ কৰিছে। বিজেপিয়ে ২৮ খনত আৰু কংগ্ৰেছ ৮ খন আসনত আগবাঢ়ি আছে।

0000000

অসম আৰক্ষীয়ে নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। এনে অভিযানৰ অংশ হিচাপে কাছাৰ আৰক্ষীয়ে শিলচৰ আৰু ৰামনগৰত বিশেষ অভিযান চলাই ৫৭২ গ্ৰাম হেৰ'ইন আৰু ৭ কোটি টকা মূল্যৰ ১০ হাজাৰ য়াবা টেবলেট উদ্ধাৰ কৰিছে। এই ঘটনা সংক্ৰান্তত আৰক্ষীয়ে এজন লোকক গ্ৰেপ্তাৰ কৰিছে।

ইপিনে বিশ্বনাথ আৰক্ষীয়ে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এখন বাহনৰ পৰা ৩১৪ কিলোগ্ৰাম গাঞ্জা উদ্ধাৰ কৰিছে। উদ্ধাৰ কৰা গাঞ্জাখিনিৰ মূল্য এক কোটি ৫৭ লাখ হ'ব বুলি অনুমান কৰা হৈছে।

0000000

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ তৃতীয় বৰ্গৰ চতুৰ্থ আৰু পঞ্চম কাকতৰ পৰীক্ষাৰ বাবে অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ বাবে এলানি গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰা হৈছে। এই অনুসৰি প্ৰাৰ্থীসকলে আজিৰ পৰা ২২ অক্টোবৰ পৰ্যন্ত তেওঁলোকৰ অ' এম আৰ শ্বীট ডাউনলোড কৰিব পাৰিব। উল্লেখযোগ্য যে চতুৰ্থ আৰু পঞ্চম দুয়োখন কাকতৰ অফিচিয়েল এনচাৰ কী কাইলৈ পুৱা ৬ বজাৰ পৰা পোৱা যাব। প্ৰাৰ্থীসকলে তেওঁলোকৰ উত্তৰ বহী পুনৰীক্ষণ কৰিবলৈ বিচাৰিলে কাইলৈৰ পৰা ১৮ অক্টোবৰৰ ভিতৰত আবেদন জনাব পাৰিব।

০০০০০০০

আকাশবাণী গুৱাহাটী যুৱবাণীৰ সংগীত শিল্পী হিচাপে স্বীকৃতিৰ বাবে অফলাইন আবেদনৰ ব্যৱস্থা মুকলি কৰা হৈছে। অসমীয়া আধুনীক গীত, কামৰূপী আৰু গোৱালপৰীয়া লোকগীত, বৰগীত ভজন, গজল, খেয়াল, ৰবীন্দ্ৰ সংগীত, বাদ্যসংগীত আৰু লোক বাদ্য সংগীত শিতানৰ একক শাখাত আৰু দলীয় শাখাত জিকিৰ-জাৰী, বিহুগীত, টোকাৰী গীত, দিহা নামত ইচ্ছুক প্ৰাৰ্থীয়ে আবেদন কৰিব পাৰিব। উল্লেখযোগ্য যে দলীয় শাখাত বাদ্য শিল্পীসহ ৫ ৰ পৰা ৮ জন সদস্যহে থাকিব পাৰিব তথা দলৰ সদস্যসমূহৰ ফটো সংলগ্ন কৰি সকলোৰে নাম উল্লেখ কৰিব লাগিব। আবেদনকাৰীয়ে আবেদন প্ৰ-পত্ৰ, অনলাইন মাচুল পৰিশোধৰ বাবে যাবতীয় তথ্য আৰু নিয়মাৱলী আকাশবাণী গুৱাহাটী ফেচবুক পেজ এ আই আৰ গুৱাহাটীৰ পৰা ডাউলনোড কৰিব পাৰিব অথবা আকাশবাণী গুৱাহাটীৰ অভ্যৰ্থনা কক্ষৰ পৰা সংগ্ৰহ কৰিব পাৰিব। উল্লেখযোগ্য যে আবেদন প্ৰ-পত্ৰ পূৰ কৰি ২৫ অক্টোবৰৰ ভিতৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভ্যৰ্থনাকক্ষত জমা দিব লাগিব।

০০০০০০০

সমাপ্ত